**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নংঃ ১৪৫/২০২০**

## দৰং জিলাৰ কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থাৱলী পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩১ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধৰ কৰাৰ বাবে দৰং জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহ পৰ্যালোচনা আৰু প্ৰত্যক্ষ কৰাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰাৰ উপৰি জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষৰ বিষয়াসকলৰ সৈতেও পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে দৰং জিলাৰ মঙলদৈ অসামৰিক চিকিৎসালয়ৰ আছুতীয়া কক্ষৰ উপৰি অন্যান্য ব্যৱস্থাৰাজিৰো বুজ লয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে দৰং জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত অংশ গ্ৰহণ কৰে। বৈঠকত জিলা উপায়ুক্তগৰাকীয়ে জৰুৰী সেৱা অব্যাহত ৰখা, নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ব্যৱস্থা, হ'ম কোৱাৰেনটাইনত থকা লোকৰ পৰিসংখ্যাকে ধৰি লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে কোনো ধৰণৰ নাটনি নহয়, তাৰ বাবে যোগান বিভাগক চেম্বাৰ্ছ অৱ কমাৰ্চৰ সহযোগত কাম কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। লক্-ডাউনৰ কাৰ্যসূচীত যাতে সামগ্ৰীৰ মূল্য বৃদ্ধি হ'ব নোৱাৰে সেই দিশত চোকা দৃষ্টি ৰাখিবলৈও জিলা প্ৰশাসনক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জনসচেতনতা কাৰ্যসূচী অব্যাহত ৰাখিবলৈ নিৰ্দেশ দিয়ে যাতে লক্-ডাউনৰ সময়ছোৱাত সামাজিক ব্যৱধান মানি চলি জনসাধাৰণে নিজৰ গৃহত আৱদ্ধ হৈ থাকে। মুখ্যমন্ত্ৰীয়ে কয় যে চিকিৎসা সেৱাৰ লগত জড়িত থকা সকলোৱে কৰ'না ভাইৰাছৰ বিৰুদ্ধে হোৱা যুঁজখনত সন্মুখৰ পৰা নেতৃত্ব দিছে। সেইবাবে চিকিৎসা সেৱাৰ লগত জড়িত সকলক প্ৰশাসনে অধিক উৎসাহিত কৰিব লাগিব। ভাড়া ঘৰত থকা চিকিৎসক, নাৰ্ছ আৰু অন্যান্য চিকিৎসা কৰ্মী যাতে কোনো ধৰণৰ হাৰাশাস্তিৰ সন্মুখীন নহয়, সেই দিশটো চোকা দৃষ্টি ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে প্ৰশাসনক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মন্ত্ৰী ভৱেশ কলিতা, সাংসদ বিশ্বজিৎ দৈমাৰী, বিধায়ক বিমল বৰা, জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক প্ৰমুখ্যে জিলাখনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

**পুঃডেঃ**
**৩১/০৩/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in